**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-AUGUST-2026
**Time :** 12.05 PM

**ASSAMESE 12.05 PM BULLETIN**

---

১। নেপালৰ আকস্মিক বানত কমেও ১৬০ জন লোকৰ মৃত্যু। ৩০০ গৰাকী ভাৰতীয় পৰ্যটক সন্ধানহীন।

২। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ উজনিৰ চাৰিখন জিলাৰ বান সন্দৰ্ভত ৩ নৱেম্বৰৰ ভিতৰত উত্তৰ দিবলৈ ৰাজ্য চৰকাৰক নিৰ্দেশ।

৩। স্বাস্থ্যমন্ত্ৰী অশোক সিংহলৰ উজনি মাজুলীৰ চিৰাম চাপৰিৰ ৫০ খন বিছনাযুক্ত আয়ুৰ্বেদিক চিকিৎসালয় পৰিদৰ্শন। **আৰু**

৪। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত চিকিৎসকৰ সাক্ষ্যগ্ৰহণ প্ৰক্ৰিয়া অব্যাহত।

০০০০০০

নেপালত কালি হোৱা আকস্মিক আৰু ভয়াৱহ বানৰ পাছৰে পৰা সন্ধানহীন হৈ থকা সহস্ৰাধিক লোকৰ ভিতৰত প্ৰায় ৩০০ গৰাকী ভাৰতীয় পৰ্যটক আছে। নেপালৰ বিদেশমন্ত্ৰী শিশিৰ খানালে আজি এই কথা সদৰি কৰে। তেওঁ লগতে বানৰ ফলত ১৬০ জন লোকে প্ৰাণ হেৰুওৱাৰ আৰু ৰাছুৱা অঞ্চলত এই বিপৰ্যয়ৰ পাছৰে পৰা সহস্ৰাধিক লোক সন্ধানহীন হৈ থকা বুলি নিশ্চিত কৰে।

ইপিনে আৰক্ষীৰ সূত্ৰই কালি ভোটে কোশী নদীৰ আকস্মিক বানৰ ফলত বেয়াকৈ ক্ষতিগ্ৰস্ত তিনিখন জিলাত মৃত্যু হোৱা লোকৰ সংখ্যা ১৭২ লৈ বৃদ্ধি পোৱা বুলি প্ৰকাশ কৰিছে।

ভাৰতে ৩৭ দশমিক ৫ টন মানৱীয় সাহায্য আৰু দুৰ্যোগ সাহায্য সামগ্ৰী, ঔষধ আৰু পেকেজ সামগ্ৰীৰ দ্বিতীয়টো খেপ নেপাললৈ প্ৰেৰণ কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰি কয়, যে সাহায্য সামগ্ৰী লৈ দ্বিতীয়খন বিমান ইতিমধ্যে চুবুৰীয়া ৰাষ্ট্ৰখনলৈ ৰাওনা হৈছে। তেওঁ কয়, যে ভাৰতে নেপালৰ কৰ্তৃপক্ষৰ সৈতে অহৰহ সম্পৰ্ক ৰক্ষা কৰি আছে আৰু দেশে চুবুৰীয়া ৰাষ্ট্ৰখনৰ উদ্ধাৰ অভিযানত সহায় কৰিব। উল্লেখযোগ্য ভাৰতে কালি দেশখনলৈ ১০ টন সাহায্য সামগ্ৰী, অত্যাৱশ্যকীয় ঔষধ, অস্থায়ী আশ্ৰয়স্থলী, কম্বল, অনাময় সা-সঁজুলি আৰু সৌৰ চাকি প্ৰেৰণ কৰিছিল।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্য চৰকাৰক উজনি অসমৰ চাৰিখন জিলাৰ বান সন্দৰ্ভত ৩ নৱেম্বৰৰ ভিতৰত উত্তৰ দিবলৈ নিৰ্দেশ দিছে। কংগ্ৰেছ নেতা দেৱব্ৰত শইকীয়াই উজনি অসমৰ শেহতীয়া বানৰ উচিত তদন্তৰ অনুৰোধ জনাই দাখিল কৰা এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানি লৈ কালি এই নিৰ্দেশ দিয়ে। আবেদনখনত দেৱব্ৰত শইকীয়াই শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাত শেহতীয়াকৈ সৃষ্টি হোৱা অভূতপূৰ্ব বান প্ৰকৃততে কোনো প্ৰাকৃতিক দুৰ্যোগ নহয়, বৰং দিখৌ নৈ আৰু ইয়াৰ উপনৈসমূহত চলি থকা অবাধ খনন আৰু গাফিলতিৰ ফল বুলি উল্লেখ কৰে। কংগ্ৰেছ নেতাগৰাকীয়ে ৰাইজৰ ন্যায় আৰু সুৰক্ষা সুনিশ্চিত কৰাৰ দাবীত আদালতত কেতবোৰ গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰে। তেওঁ দিখৌ আৰু ইয়াৰ উপনৈসমূহত সকলোধৰণৰ অবৈধ খনন তৎকালীন আৰু স্থায়ীভাৱে বন্ধ কৰাৰ লগতে উচ্চ ন্যায়ালয়ৰ পূৰ্বৰ নিৰ্দেশ অনুসৰি শীঘ্ৰেই খনন কাৰ্যবাহিনী গঠন কৰিবলৈ দাবী জনায়। ইয়াৰ উপৰি সমগ্ৰ ঘটনাৰ সত্যাসত্য উদ্ঘাটনৰ বাবে এগৰাকী অৱসৰপ্ৰাপ্ত ন্যায়াধীশৰ নেতৃত্বত উচ্চ ক্ষমতাপ্ৰাপ্ত তদন্ত সমিতি গঠন কৰা, বান্ধৰ পানী এৰা সন্দৰ্ভত স্পষ্ট বৈজ্ঞানিক নীতি প্ৰস্তুত কৰা আৰু মানৱসৃষ্ট এই দুৰ্যোগৰ বাবে দায়ী বিষয়া আৰু দোষী লোকৰ বিৰুদ্ধে ফৌজদাৰী গোচৰ ৰুজু কৰিবলৈ তেওঁ দাবী জনায়।

০০০০০০

স্বাস্থ্যমন্ত্ৰী অশোক সিংহলে আজি পুৱা উজনি মাজুলীৰ চিৰাম চাপৰিৰ ৫০ খন বিচনাযুক্ত আয়ুৰ্বেদিক চিকিৎসালয়খন পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে চিকিৎসালয়খনৰ কৰ্তৃপক্ষৰ সৈতে মত বিনিময় কৰি অভাৱ-অভিযোগৰ বুজ লয়। শ্ৰী সিংহলে আজি মাজুলীত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। চিকিৎসালয়খন পৰিদৰ্শন কৰি স্বাস্থ্যমন্ত্ৰীয়ে সাংবাদিকৰ আগত এইদৰে কয়—

**বাইট**

০০০০০০

ৰাজ্যৰ সাঁচিকাঠ খণ্ডৰ বহনক্ষম উন্নয়ন আৰু প্ৰসাৰৰ উদ্দেশ্যে গঠিত বহু বিভাগীয় কাৰ্যবাহিনীৰ প্ৰথমখন গুৰুত্বপূৰ্ণ বৈঠক আৰু অংশীদাৰসকলৰ সৈতে দিনজোৰা মত-বিনিময় সভা কালি গুৱাহাটীৰ খানাপাৰাস্থিত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত হয়। বৈঠকত ৰাজ্যৰ আনুমানিক ৩ লাখ হেক্টৰ ভূমি সামৰি ৰোপণ কৰা সাঁচি গছৰ বিপুল সম্পদক মূলধন হিচাপে লৈ প্ৰসংস্কৰণ, মূল্য সংযোজন, বিপণন আৰু ৰপ্তানিক সাঙুৰি সুসংহত মূল্য শৃংখলা গঢ়ি তোলাৰ সিদ্ধান্ত লোৱা হয়। সাঁচিকাঠৰ অংশীদাৰসকলৰ বৈঠকৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰাই সাঁচি কাঠক লৈ অসমৰ অৰ্থনীতি যাতে শক্তিশালী হৈ উঠে, এই ব্যৱসায় যাতে আইন সন্মতভাৱে গঢ় লয়, তাৰবাবে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। তেওঁ কয়, যে নীতি, আন্তঃগাঁথনি, উদ্যোগৰ মাধ্যমেৰে ৰূপায়িত কৰিলেহে সম্ভাৱনাৰ উত্তৰণ সম্ভৱ হৈ উঠে। ৰাজ্যত সাঁচি কাঠক লৈ থকা সম্ভাৱনাৰ পৰিসৰ বৃদ্ধি কৰাৰ সময় আহি পৰিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰজন্মৰ পাছত প্ৰজন্ম ধৰি অসমৰ জনসাধাৰণ সাঁচিকাঠৰ পৰা তেল বা সুগন্ধি প্ৰসংস্কৰণৰ সৈতে জড়িত হৈ আছে। তেওঁ লগতে অসমত সাঁচি কাঠৰ সম্পূৰ্ণ মূল্য শৃংখল গঢ়ি তোলাৰ পোষকতা কৰে। সন্মিলনত অংশ লৈ বিত্ত, পৰিৱেশ আৰু বনমন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই সাঁচি কাঠৰ উৎপাদকসকলে উপাযুক্ত মূল্য লাভ কৰা বিষয়ত গুৰুত্ব আৰোপ কৰে। তেওঁ অসমতে উৎপাদনৰ লগতে ব্যৱসায় কৰাৰ বাবে সকলোকে আহ্বান জনাই কয়, যে ইয়াতে সকলো হ'লেহে ৰাজ্যলৈ বাহিৰৰ ক্ৰেতা আহিব আৰু এইক্ষেত্ৰৰ সকলো বাধা আঁতৰিব।

০০০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি হানইত ভিয়েটনামৰ প্ৰধানমন্ত্ৰী লে মিন্হ হুঙক সাক্ষাৎ কৰে। বৈঠকৰ অন্তত শ্ৰীমাৰ্ঘেৰিটাই সামাজিক মাধ্যমযোগে কয়, যে তেওঁলোকে সাক্ষাৎকালত ভিয়েটনামৰ সাধাৰণ সচিব তথা ৰাষ্ট্ৰপতি ট'লামৰ সফল ভাৰত ভ্ৰমণ আৰু ভাৰত-ভিয়েটনাম সম্পৰ্কক সৰ্বাত্মক কৌশলগত সহযোগিতালৈ উন্নীত কৰাৰ কথা স্মৰণ কৰে। শ্ৰীহুঙে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ৮০ সংখ্যক স্বাধীনতা দিৱস আৰু আৰ্থ সামাজিক তথা কূটনৈতিক সাফল্যৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। সাক্ষাৎকালত শ্ৰীমাৰ্ঘেৰিটাই প্ৰতিশ্ৰুতিক বাস্তৱলৈ পৰিণত কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা পথ প্ৰদৰ্শনৰ বাবে ভিয়েটনামৰ প্ৰধানমন্ত্ৰীৰ শলাগ লয়।

০০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাত ডিজিটেল শস্য জৰীপৰ বাবে দুই শতাধিক গাঁও প্ৰধানক কালিৰেপৰা দুটা পৰ্যায়ত প্ৰশিক্ষণ দিয়া হৈছে। জিলা কৃষি বিভাগৰ উদ্যোগত কৃষি বিষয়াৰ কাৰ্যালয়ত অনুষ্ঠিত কাৰ্যসূচীত জৰীপ পদ্ধতিৰ বিষয়ে ব্যৱহাৰিক প্ৰশিক্ষণ দিয়া হয়। জিলা কৃষি বিষয়া মইনুল হকে প্ৰকাশ কৰা মতে কৃষিক্ষেত্ৰত ডিজিটেল ব্যৱস্থা প্ৰৱৰ্তনৰ অংশ হিচাপে এই জৰীপ আৰম্ভ কৰা হৈছে। জৰীপকাৰী হিচাপে গাঁওপ্ৰধানসকলক, তদাৰককাৰী হিচাপে কৃষি সম্প্ৰসাৰণ বিষয়াসকলক আৰু পৰীক্ষক হিচাপে বিভিন্ন বিভাগৰ বিষয়াক দায়িত্ব দিয়া হৈছে বুলি বিষয়াগৰাকীয়ে কয়—

বাইট

০০০০০০

অসম চৰকাৰৰ উদ্যোগত আৰু কামৰূপ জিলা শিক্ষা বিভাগৰ সহযোগত কালি জ্ঞান অন্বেষণ যাত্ৰা আৰোহণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। জিলাখনৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই এই কাৰ্যসূচী শুভাৰম্ভ কৰে। জিলাখনৰ ২৭৬ খন বিদ্যালয়ৰ পৰা ২৭৬ গৰাকী ছাত্ৰ-ছাত্ৰীক ৯ খন বাহনৰ যাত্ৰাৰ শুভাৰম্ভ কৰি জ্ঞান অন্বেষণৰ বাবে পঠিওৱা হৈছে। অহা ২৯ আগষ্টলৈ ছাত্ৰ-ছাত্ৰীসকলে এই কাৰ্যসূচীৰ অধীনত আই আই টি গুৱাহাটী, এইমছ্ গুৱাহাটী, বায়'টেক পাৰ্ক, শংকৰদেৱ কলাক্ষেত্ৰ, চিৰিয়াখানা, গুৱাহাটী বিজ্ঞান গৱেষণা কেন্দ্ৰকে ধৰি কেইবাটাও স্থানলৈ গৈ অভিজ্ঞতা অৰ্জন কৰিব। এই যাত্ৰাত ১৬ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক মেণ্টৰ হিচাপে নিয়োগ কৰা হৈছে। এই সন্দৰ্ভত আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই এইদৰে কয়–

বাইট (দেৱ কুমাৰ মিশ্ৰ)

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত চিকিৎসকৰ সাক্ষ্যগ্ৰহণ প্ৰক্ৰিয়া অব্যাহত আছে। আজি আদালতত মহানগৰীৰ এখন ব্যক্তিগত চিকিৎসালয়ৰ দুগৰাকী চিকিৎসক শশীবা বৰ্মন আৰু মনালিছা গোস্বামীয়ে সাক্ষ্য প্ৰদান কৰিছে। কাইলৈ ডাঃ হিতেশ বৰুৱা আৰু শিল্পীগৰাকীৰ বন্ধু হৰেশ্বৰ মহন্তৰ সাক্ষ্য গ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে শাৰীৰিক অসুস্থতাৰ সময়ত জুবিন গাৰ্গে চিকিৎসা গ্ৰহণ কৰা চিকিৎসকসকলক সাক্ষ্যৰ বাবে মতা হৈছে।

০০০০০০

ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী, ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ, স্বাধীনতা যুঁজাৰু, বিশিষ্ট সমাজবাদী নেতা গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষ উদযাপনৰ সামৰণি অনুষ্ঠান পৰহিলৈ গুৱাহাটীৰ উজান বজাৰস্থিত বিবেকানন্দ সংস্কৃতি প্ৰতিষ্ঠান কেন্দ্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব। গুৱাহাটীৰ প্ৰেছক্লাবত কালি অনুষ্ঠিত এখন সংবাদমেলত গোলাপ বৰবৰা জন্ম শতবৰ্ষ উদযাপন সমিতিৰ সাধাৰণ সম্পাদক ৰামকৃষ্ণ শৰ্মাই এই কথা প্ৰকাশ কৰে। এই অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° অমৰজ্যোতি চৌধুৰী, নতুন দিল্লীৰ ড° ৰাম মনোহৰ লোহিয়া, গৱেষণা ফাউণ্ডেচনৰ অধ্যক্ষ ৰঞ্জন সিং আৰু জ্যেষ্ঠ সাংবাদিক তথা বিশিষ্ট লেখক প্ৰশান্ত ৰাজগুৰুৱে গোলাপ বৰবৰাৰ জীৱনজোৰা কৰ্মৰাজিৰ বিষয়ে আলোকপাত কৰিব। হিন্দু মজদুৰ সভাৰ সাধাৰণ সম্পাদক আৰু বিশিষ্ট শ্ৰমিক নেতা হৰভজন সিং সিন্ধুই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানৰ লগত সংগতি ৰাখি ড° পৰমানন্দ মজুমদাৰ সম্পাদিত গোলাপ বৰবৰা ৰচনাৱলীৰ দ্বিতীয় সংস্কৰণো উন্মোচন কৰা হ'ব।

০০০০০০

**সমাপ্ত**